**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৪৭/২০২০**

## নতুন দিল্লীৰ নিজামুদ্দিনত তবলিকী জামাতত অংশ গ্ৰহণ কৰা ব্যক্তিসকলক স্ব-ইচ্ছাই প্ৰশাসনক অৱগত কৰাবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ০১ এপ্ৰিল ঃ** নতুন দিল্লীৰ নিজামুদ্দিনত তবলিকী জামাতত অসমৰ ভিন্ন প্ৰান্তৰ যিসকল লোকে অংশ গ্ৰহণ কৰিছিল তেওঁলোকক নিজৰ পৰিয়াল তথা অসমবাসীৰ সুৰক্ষাৰ স্বাৰ্থত স্ব-ইচ্ছাই প্ৰশাসনক অৱগত কৰাবলৈ আহ্বান জনাইছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মুখ্যমন্ত্ৰীয়ে নিজামুদ্দিনত অংশ গ্ৰহণ কৰা লোকসকলক স্বাস্থ্য বিভাগৰ জৰিয়তে পৰীক্ষা-নিৰীক্ষা কৰিবলৈও আহ্বান জনাইছে। জনসাধাৰণে যদি নতুন দিল্লীৰ নিজামুদ্দিনৰ তবলিকী জামাতত অংশ গ্ৰহণ কৰাৰ ব্যক্তিৰ বিষয়ে সম্ভেদ পায়, তেন্তে সেইসকল লোকৰ বিষয়ে প্ৰশাসনক তাৎক্ষণিকভাৱে অৱগত কৰোৱাৰ বাবেও আহ্বান জনাইছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

**পুঃডেঃ / বঃভাঃ**
**০১/০৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in